ISSN : 2249-0612

Volume VII : 2018
Pp.116-129

**MANAVAYATAN**
THE HUMANOSPHERE
*Journal on Humanities of Centre for Studies in Humanities*

# অৰণ্য, মানৱাধিকাৰ আৰু বিকাশৰ ধাৰণাৰে নাৰায়ণৰ *কচ্ছাৰেথি ঃ আৰায়া নাৰী*ৰ এক অধ্যয়ন

**জুৰি দত্ত**

অৰণ্য, বিকাশ আৰু মানৱাধিকাৰ - আপাতত সামঞ্জস্যবিহীন তিনিটা বিষয়। আপাতত সামঞ্জস্যবিহীন এই তিনিটা ধাৰণা প্ৰকৃততে এটা আনটোৰ লগত কিমান গভীৰ ভাৱে সম্পৰ্কিত সেয়া আলোচনা কৰিবলৈ একোটা সাহিত্যক পাঠেই আমাক সহায় কৰিব পাৰে, দক্ষিণ ভাৰতৰ জনজাতীয় সমাজ জীৱন ভিত্তিক মালয়ালম উপন্যাস *কচ্ছাৰেথি ঃ আৰায়া নাৰী*ৰ বিভিন্ন দিশৰ কিছু বাখ্যাৰ জৰিয়তে এই পত্ৰখনত এই ধাৰণা কেইটাৰ সম্পৰ্কক এক নতুন দৃষ্টিৰে বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে। এটা সমীক্ষাত প্ৰকাশ পাইছে যে ভাৰতৰ প্ৰায় ৭০ শতাংশ নাগৰিকৰ জীৱন-ধাৰণৰ উপায় মাটি বা প্ৰকৃতিৰ সৈতে সম্পৰ্কিত। তাৰোপৰি খোৱাপানী, খাদ্য, ঘৰ-দুৱাৰ, ঔষধ-পথ্য আৰু ইন্ধন- এই সকলোবোৰৰ বাবেই মানুহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল [TPCG and Kalpavriksh 2005][1]। তথাপি বিকাশৰ নামত অৰণ্য ধ্বংস আৰু মানুহৰ মৌলিক অধিকাৰ খৰ্ব আদিৰ দৰে কিছুমান কথা আমাৰ দেশত নিৰ্বিঘ্নে চলি থাকে। উল্লেখিত উপন্যাসখনৰ বিশ্লেষণে এনে অনেক ধাৰণা স্পষ্ট কৰিব।

দক্ষিণ ভাৰতৰ জনগোষ্ঠীয় লেখকসকলৰ প্ৰথম বুলি গণ্য কৰা নাৰায়ণৰ প্ৰথমখন উপন্যাসেই হৈছে *কচ্ছাৰেথি ঃ আৰায়া নাৰী* (*Kocharethi: the araya woman)*। সেইফালৰ পৰা *কচ্ছাৰেথি ঃ আৰায়া নাৰী* ক দক্ষিণ ভাৰতৰ প্ৰথম জনজাতীয় উপন্যাস বুলি ক'ব পাৰি। উপন্যাসখন মালয়ালম ভাষাত প্ৰথম প্ৰকাশ হয় ১৯৯৮ চনত। অৱশ্যে লেখক নাৰায়ণে কিতাপখন লিখি শেষ কৰিছিল ইয়াৰো